
অৰুণ জ্যোতি
কবিতা পুথি, ২০২২
সম্পাদক :-
নৃপেন সোনোৱাল

# : কৃতজ্ঞতা স্বীকাৰ :

যি সকলে আমাক মৰম, শুভেচ্ছা, সৎ দিহা পৰামৰ্শৰে সদায়ে উৎসাহিত কৰি আহিছে লগতে শুভাকাংক্ষী ৰাইজ তথা সংঘ আৰু কবিতাপুথিখনিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত সকলোলৈকে আমি ধন্যবাদ জ্ঞাপন কৰিছো।

ধন্যবাদ ॥

—— সম্পাদনা সমিতি

অৰুণজ্যোতি কবিতা পুথি ।

# :সম্পাদনা সমিতি :

উপদেষ্টা : সুস্ম্যজিত সোনোৱাল

সম্পাদক : নৃপেন সোনোৱাল

সহঃ সম্পাদিকা : মিতালী সোনোৱাল

বেটুপাত : নৃপেন সোনোৱাল

অলংকৰণ : মিতালী, জেছমিন

# : সূচীপত্ৰ :

## কবিতা :


শৰত — সঞ্জীৱ কুমাৰ সোনোৱাল
জীৱন — বিকাশ সোনোৱাল
ভাল পাওঁ — তৃষ্ণা সোনোৱাল
গছ — ভবেশ সোনোৱাল
বিষাদৰ বুকুত — ধৰিত্ৰী সোনোৱাল
কনমানি পখিলা — জেছমিন সোনোৱাল
জ্ঞান — অনিতা সোনোৱাল
কেতিয়া কি হয় — অঞ্জনা ডেকা
মোৰ স্মৃতি — প্ৰস্তুতি সোনোৱাল
অসমী আই মোৰ জনম ভূমি — ভিতালী সোনোৱাল
মৃত্যুৰ দুৱাৰ তলিত — প্ৰনব সোনোৱাল
সেউজ বৰণী সপোন — প্ৰেৰণা সোনোৱাল
মৰম লগা পখী — টুমী সোনোৱাল
The Labourtous — ডেভিদ সোনোৱাল
আমি অসমীয়া — চাজলী শইকীয়া
অপূৰ্ণতা — নৃপেন সোনোৱাল
শৰৎ — তনয় বৰুৱা
আশা — কৰিষ্মা সোনোৱাল
বৰষুণ — বেবী সোনোৱাল
মোৰ ভাইটি — অৰূপ সোনোৱাল
ৰাজনীতি — কংকী সোনোৱাল
পখিলা — তন্ময় সোনোৱাল
বসন্তৰ পখী — মমী সোনোৱাল

শৈশৱ কি —— উদয় সোনোৱাল

বৰদৈচিলা —— জ্যোতিপ্ৰদ্যুম্ন সোনোৱাল

তৰা —— ইন্দিৰা সোনোৱাল

কবিতা —— ধনমনী সোনোৱাল

মাছ —— হিমশ্ৰী সোনোৱাল

# : সম্পাদকীয় একলম :

সাহিত্য - সংস্কৃতি এটা জাতি বা এমন সমাজৰ দাপোন তথা উত্তৰণৰ বাটকটীয়া নিজৰ ভাষা, সাহিত্য সংস্কৃতিয়েহে এটা জাতিক পূর্ণাংগ জাতিৰূপে গঢ়ি তোলে। সাহিত্যই এটা জাতিক গৌৰৱৰ দিশে লৈ যাব পাৰে। সেয়ে আমাৰ অঞ্চলটো যাতে সাহিত্যৰ দ্বাৰা কিছু উন্নতিৰ ৰেঙনি প্ৰকাশ পায়, তাৰ বাবে গ্ৰন্থ - আলোচনীৰ জৰিয়তে আমি ন ন সৃষ্টি কৰিছোঁ।

বিগত কেইবাবছৰ ধৰি বিভিন্ন ঘাট - প্ৰতিঘাটৰ মাজেৰে আমাৰ সংঘই 'বিষ্ণুপ্ৰসাদ ৰাভা' দিৱসটি উদ্‌যাপন কৰি আহিছে তাৰ লগত বিভিন্ন আলোচনী তথা কবিতাপুথি প্ৰকাশ কৰি আহিছে। ইয়াৰ উদ্দেশ্য আমাৰ গ্ৰামাঞ্চলৰ শিশু তথা ছাত্ৰ - ছাত্ৰীসকলে তেওঁলোকৰ সাহিত্য প্ৰতিভাখিনি প্ৰকাশৰ এমন উপযুক্ত মঞ্চ পোৱাৰ লগতে ভাষা - সংস্কৃতি বিকাশৰ বাবে কিছু অৰিহণা আগবঢ়াব পাৰে।

কবিতাপুথিখনিৰ সম্পাদকৰ দায়িত্ব আমাক দিয়া হৈছিল বিভিন্ন ঘাট - প্ৰতিঘাট অতিক্ৰম কৰিবলগীয়া হোৱাত ইয়াৰ কিছু দোষ - ত্ৰুটি থাকি যায়। তথাপিও এমন হাতে লিখা কবিতাপুথিৰ বাবে যিবোৰ প্ৰচেষ্টা কৰিব লাগে তাৰ এক ক্ষুদ্ৰ উদাহৰণ পোৱা যায়। যিসকল লেখক - লেখিকাই আমাক লিখনি দি সহায় কৰিলে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে সম্পাদনাৰ সহযোগী সকলকো আমাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শ্ৰদ্ধাৰে

নৃপেন সোনোৱাল, সম্পাদক

# শৰতে

শৰতৰ দলিছা
শৰতৰ জোনাক ৰাতিৰ
বিশাল আকাশৰ বুকুত যেন উমলি ফুৰে
হেজাৰ সপোন, ৰিক্ত হৃদয়ৰ এচুকত ভৰি
পৰে জোনাকৰ উৰ্মী
পুলকিত মন
নদীৰ বক্ষ্যতো দেখোন শৰতৰ নাচোন ।
তাতে,
শেৱালীয়ে ন কইনাৰ দৰে আনি দিয়ে সুগন্ধি,
আৰু কপালত জিলিকি উঠে শুভ্ৰ, শান্ত,
শীতল জোন
সজীৱ হৈ উঠে সমগ্ৰ ধৰণী ।

— শ্ৰীমান সঞ্জীৱ কুমাৰ সোনোৱাল

# জীৱন

জীৱন মানে এক সংগ্ৰাম
এক যাত্ৰা
কত সপোন বাটতে
চেপি চেপি গৈছে
মাজে মাজে পথৰ
দিশ সলনি হৈছে
জীৱন মানে সুখ দুখ
হাঁহি কান্দোনেৰে ভৰা এটি শব্দ
তথাপি যে জীৱন
সময় চকা বগৰি যায় অহৰহ
এক অক্লান্ত গতিত ॥
জীৱন মানে এটি যন্ত্ৰণা
এটি অভিনয় ।
জীৱনে মানুহক বহুত
কথা শিকায় ।
এই অবিৰত সংগ্ৰামৰ
পোচাকি নামে জীৱন ॥

— শ্ৰীমান বিকাশ সোনোৱাল

# ভাল পাওঁ

ভাল পাওঁ পচু বগাই
পানীত সাঁতুৰি,
ভাল ভাল কথা শিকা
আমাৰেই কাম ।
পঢ়ি শুনি উজ্বলাম
নিজৰেই নাম,
মিছা কথা নকওঁ
নকৰো বেয়া কাম ।
ভাল মানুহ হৈ থাকিলে
দেশৰেই নাম ॥

— শ্ৰীমতী তৃষ্ণা সোনোৱাল

# গছ

গছ হ'ব পাৰো মই
মোৰ মন আছে
কণ কণ মইনাহঁতে
মোৰ পাত উঠি নাচে ।
সিহঁতৰ লগত
মোৰ হৈ বন্ধু,
সিহঁতৰ লগত ফুৰিবলৈ
বৰ মন যায় ।
সিহঁতে মোৰ পিঠিৰ পৰা
দিয়ে জপিয়াই,
জপিয়াই পৰা দেখি
ভাল লাগি যায় ।

—— শ্ৰীমান ভবেশ সোনোৱাল

# বিষাদৰ বুকুত

ৰঙৰ তিৰবিৰনি চকুলোৰে তিতি
মকা মোৰ দুগাল
দুবাহুত তোমাৰ শিহৰণ
হৃদয়ত তোমাৰ ছবিৰ স্পৰ্শ।
পাহীৰ ভিতৰত
অকলশৰীয়া ছোৱালীজনী
অনুভৱত ব্যাকুলতাৰে,
হৃদয়েবিচাৰে তোমাক
তুমি জানা আছা
হৃদয়ত বৈ যোৱা
বিষাদৰ নৈমনত
কত আছিলা তুমি
হয়তো তুমি আছিলা
মোৰ বিষাদৰ নৈমনত ..... ॥

— শ্ৰীমতী ধৰিত্ৰী সোনোৱাল

# কনমানি পখিলা

কনমানি পখিলা
উৰি উৰি আহিলা
মোৰ বাগিচাৰ গোলাপ ফুলি
কিয় বাৰু পৰিলা ?
ধৰিব খোজোতে মই
তুমি উৰি উৰি গ'লা
বাট চাই আছো ৰৈ
আকৌ আহিবা
তুমি আহিলা
মন মোৰ মোহিলা
আকৌ উৰি গৈ তুমি
কিয় বাৰু ঠগিলা ।

— শ্ৰীমতী জেছমিন আগৰৱাল

# জ্ঞান

ব্ৰহ্মপুত্ৰ নামৰ নদীখনত
কাৰণে কিমান বেপা,
কোনটো কওঁ কোনটো নকওঁ
কৈ গলেও লাগিব লেখা।
জীয়াই থাকিবলৈ আহাৰ লাগে
আৰু লাগে পানী,
পঢ়া শুনা কৰিলে সকলো জানিবা
হ'বা যে মহাজ্ঞানী।
টি.ভি. ৰেডিঅ'ৰ গীত মাতবোৰ
কিহৰ মাজেৰে যায়
মবাইল ফোনৰো একেই কথা
দিন কাল বদলিল ভাই।
সকলো কথাৰে কাৰণ আছে,
আৰু আছে মান
যিমানেই শিকিবা সিমানেই বুজিবা
বঢ়াব পাৰিবা জ্ঞান।

—— শ্ৰীমতী অনিতা সোনোৱাল

# কেতিয়া কি হয়

ধান, মাহ, সৰিয়হক
শস্য বুলি কয়
লাই, লফা, পালেং, বাবৰি
শীতকালত হয়।
মাহ, তিল, সৰিয়হ
শৰালিৰ মেতি
মাঘৰ বিহুত তিল পিঠা
খালেহে পাবা জুতি।
আহাৰ মাহত আম, কঁঠাল
গছত পকি থাকে
ৰবাব আৰু সুমথিৰা
জাৰৰ দিনতহে পকে।
বাৰিষা কালত মৰাপাটৰ
শাৰী - শাৰী মেতি
আঘোন - পুহত ধানৰ থোক
থাকে পকি - পকি।

— শ্ৰীমতী অঞ্জনা ডেকা

# মোৰ ভণ্টী

মোৰ ভণ্টীৰ নাম লিপিকা
তেওঁ খাই বেয়া পায় শিলিখা ।
মোৰ ভণ্টীৰ বৰ খং,
কথা কোৱাৰ কোনো নাই ঢং ।
ভণ্টীয়ে কাজিয়া কৰে সদায়,
সেয়েহে ভণ্টাক দবা বজায় ।
ভণ্টীয়ে পুৱা সদায় কৰে তং
সেয়ে ভণ্টীক ভণ্টায়ো ভুৱাই ছাগলীৰ ঠেং ।
মোৰ ভণ্টী দেখাত একেবাৰে চকলী,
সেয়ে গাটোৱেই হল ভেকুলী ।
মোৰ ভণ্টীৰ ঘৰ মায়ঙত
সেয়ে কথাওঁ কয় বৰ মঙত ।
মোৰ ভণ্টী চুলিমিনি চুটি,
সেয়ে ভণ্টাক সদায় কৰে কাটি - ঘাটি ।
মোৰ ভণ্টী খুমখন টিপেকা,
সেয়ে চকু কেইটা টেলেকা ।
ভণ্টী দেখাত একেবাৰে চাপৰ,
সেয়ে তেওঁ খাই ভাল পাই পাপৰ ।
কিন্তু ভণ্টাই ভুৱাই খাপৰ ॥

—— শ্ৰীমতী প্ৰস্তুতি আলোৱাল

# অসমী আই মোৰ জনম ভূমি

যি দিনাৰ পৰা সৰ পালো
আই মোৰ জনমভূমিত,
পৰিছিল সূৰ্য্যৰ কিৰণ
ৰঙা সবুজে সবুজ ভুমিত।
অসমৰ প্ৰকৃতিৰ সৌন্দৰ্য্য
দেখিছিলো চকুৰ আগত,
সূৰ্য্যৰ সোনোৱালী কিৰণ
মনোমোহা বননিবোৰত।
নানা ৰঙৰ পক্ষীয়ে যি গীত গাইছিল
পৰিছিল সেই সুৰ কানত,
ৰঙা, নীলা যিবোৰ ফুল ফুলিছিল
দেখিছিলো চকুৰ আগত।
দেখিছিলো সেউজীয়া পাট
মিঠাৰ মধুৰ সুৰ
দেখিছিলো নীলা আকাশৰ
ধুনীয়া তৰাৰ উজ্বল কিৰণ পোহৰ ॥

—— শ্ৰীমতী ভিতালী সোনোৱাল

## মৃত্যুৰ দুৱাৰ ডলিত

মৃত্যুৰ দুৱাৰ ডলিত যেতিয়া ঠিয় দিম ।
সেইদিনা চিতাগ্নি সুখাগ্নি হ'ব ।
সেইদিনা বহু কেনে লাগিব
অধিৰ আগ্ৰহেৰে বাট চাই ৰও
আত্মাৰ, পৰমাত্মাৰ মিলনৰ সেই মুহূৰ্তলৈ
মাথো বাট চাই ৰও ;
পৰমাত্মাৰ সেই দেশতো যাতে
তুমি মোৰ পৰা পলাব নিবিচাৰা ।
শৰীৰ, দেহ, ভোগ মই
ত্যাগ কৰিছো ।
মাত্ৰ এটাই বিচাৰো
স্বপ্ন সমাধি পূৰণ কৰি
পৰমাত্মাৰ দেশত
মিলিত হ'বলৈ
আশা মাত্ৰ এটাই বিচাৰোঁ
জনম জনম তোমাৰ হ'বলৈ ।

— শ্ৰীমান প্ৰনৱ সোনোৱাল

# সেউজ ৰঙী সপোন

তোমালোকে কেতিয়াবা দেখিছানে সেউজীয়া
পথাৰৰ দলিচাখন ?
এবাৰ চাব খোজে নেকি মই কোৱা
সেউজীয়া দলিচাখন ॥
যত প্ৰতিজোপা ধানৰ কোঁহত থাকে
কৃষকৰ সপোনবোৰ ।
এবাৰ চাই যাবহি তেওঁলোকৰ হেঁপাহৰ
পথাৰখন ।
তেওঁলোকৰ ঘামৰ টোপাল যেতিয়া বোকাত
সৰে , তেতিয়া বহু ৰঙী সপোনবোৰে
পোখা মেলে আৰু
ভবিষ্যৰ প্ৰতিটো খোজত পৃথিৱীখনে
সাৰ পাই উঠে ।
পথাৰখনে যেতিয়া কান্দি উঠে , তেতিয়া
তেওঁলোকৰ তাত সিঁচি দিয়ে
সেউজৰঙী সপোনবোৰ ॥

— শ্ৰীমতী প্ৰেৰণা সোনোৱাল

# মৰম লগা পখী

কুকুৰাবোৰ হয় পোহনীয়া পখী,
মৰম লগা সৰু সৰু তুলনি পাখি।
উমনি দিয়ে কনী বোৰ চেনেহতে,
কনীৰ পৰা কণমানী পোৱালী ফুটে।

দিনে দিনে বাঢ়ি সি হয় ধুনীয়া পখী,
তাকে দেখি মোৰ মন উঠে নাচি-বাগি।
খুদ কণ দিলে বৰ আনন্দ পায়,
বিচাৰি বিচাৰি খুঁটি খুঁটি খায়।

মাকে পোৱালীবোৰক বৰ মৰম কৰে,
ডেউকাৰ তলত উম দিয়ে।
সিহঁতক চাই মোৰ বৰ ভাল লাগে,
সেইবাবে কুকুৰা পোহো আমি মৰমতে।

—— শ্ৰীমতী চুমী সোনোৱাল

# THE LABOURIOUS

What is it ?
Why you flee from it ?
If this way you get the success.
If no, then why you ?
It penetrate's the sum of the life.
It is a provacation for us, which
should be accepted.
Firm and dadication is the best solution
of yours
It hurts you,
But, it compels you brawny.
People's are fear of it.
Be clever like the wind,
Be like the strong ruby fire with flourish
Be like the waves of Ocean.
Catch it by your strong dedication.
Don't be ill from it
Do friendship with the tough
And achieve your Goal.

# আমি অসমীয়া

হেৰৌ অসমীয়া !
জাতি মাটি-ভেটি জাবৰ হ'ল,
পৌটত গামোছা বান্ধি
কিমান সহিবি আৰু
ভোক, অপমান আৰু নোপোৱাৰ বেদনা ?
চালৰ ফুটাৰে সৰকি অহা
এইখিনি জোনাকে কাহানিও পোহৰাব নোৱাৰে
আমাৰ জৰৌৰোৱা পজাঁ ।
তাহানিও আছিল,
আজিও একেই আছে
বিদেশীৰ আক্রমণ, আতিশয্যৰ
সেই নিদাৰুণ কশা ॥

— শ্ৰীমতী চাজনী শইকীয়া

# অপূৰ্ণতা

তুমিহীনতাৰ দুখত মই দুখী হওঁ
অথচ
কান্দিব পৰাকৈ নহয়....
এই যে হঠাতে লগ পাই গ'লো তোমাক
ভগাই ল'লো ।
কিছু শব্দ, কিছু অনুভৱ
কিছু বিষাদ, কিছু আনন্দ
তাকে লৈ মই সুখী
অথচ
হাঁহিব পৰাকৈ নহয় ।

— শ্ৰীমান নৃপেন সোনোৱাল

## শৰৎ

জালভৰি ফুলিছে শুকুলা শেৱালি
দুবৰিৰ সৈতে নিয়ৰৰ ধেমালি
নৈৰ পাৰত কহুৱা ফুল
সেউজীয়া পথাৰ
মনে কৰে বিয়াকুল ।
কঁহুৱা বিৰিণা নৈৰ পাৰত নাচিছে
আকাশত বগাকৈ বগলীজাক উৰিছে,
ৰাতিৰ আকাশত তৰাৰ ধেমালি
পুৱাতেই বুটলিম তলসৰা শেৱালি ॥

— শ্ৰীমান তন্ময় বৰুৱা

# আশা

নিশাৰ মৌনতাই সোঁৱৰাই দিয়ে
বুকুত লৈ ফুৰা অজস্ৰ সপোনবোৰৰ কথা ।
সপোন পূৰাবলৈ মই বাৰে বাৰে...
সন্মুখীন হওঁ হেজাৰ ঘাত-প্ৰতিঘাত,
সঁচাকৈ বাস্তৱ বহুত মধুৰ ॥
কল্পনাত ডুব মই থকা জীৱন দু-চকুৰ আঁৰত
চলে জীয়াই থকাৰ বাসনা,
মলিন ভৱিষ্যতেও লিখে হৃদয়ৰ জীৱন পাখাঁ ।
এটি নতুন পুৱাই লৈ আহে যেন
জীৱনলৈ আশাৰ ৰেঙনি,
জিনিব পাৰো সমগ্ৰ বিশ্ব,
আমি যেন নক্ষত্ৰ ॥

— শ্ৰীমতী কৰিষ্মা সোণোৱাল

# বৰষুণ

বৰষুণৰ চহৰত ভৰি দিওঁতেই
অজানিতে থমকি ৰ'লো;
কেইবাটাও শব্দৰ ধিপ্‌ধিপনি শুনি,
এই চহৰত তোমাৰ
উমান পাই ....
মেঘৰ অভিমান ভাঙিবলৈ
বহুত চেষ্টা ....

— শ্ৰীমতী বেবী সোনোৱাল

# মোৰ ভাইটি

মোৰ এটা ভাইটি আছে
তাৰ নাম ৰাম
সি খাই ভাল পায়
পকা পকা আম
কিতাপ পঢ়িবলৈ দিলে
টোপনি ধৰে
খেলিবলৈ দিলে সি
জাপ মাৰি উঠে ॥

— শ্ৰীমান অৰূপ সোনোৱাল

# ৰাজনীতি

প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে
কাগজৰ আশ্বাসবোৰ আওৰাই
তেওঁ আকৌ যায়গৈ
ৰাজভোগ কৰিবলৈ
ইলেকচনৰ আগত
দিয়া প্ৰতিশ্ৰুতিবোৰ
তেওঁ ভৰিৰে গচকি যায়গৈ
বিশাল অট্টালিকা সাজিবলৈ।
অট্টালিকাত বহি
পাহৰিৰ দৰে পেট পুহি
লৈ আছে তেওঁ জীৱনৰ আমেজ
জনতা জীয়াই আছে নে মৰিলেই
চাবলৈ নাই তেওঁৰ অকণো আজৰি।
ৰাইজ ডুবি আছে পানীৰ মাজত
তেওঁ আছে অট্টালিকাৰ আনন্দত।
জনতাক সপোন দেখুৱাই
কৰিব নোৱাৰে তেওঁ দিঠক
শাসনৰ গাদিত বহি
শুহিছে ৰাইজৰ তেজ ॥

— শ্ৰীমতী কংকী সোনোৱাল

# পখিলা

ৰঙা নীলা পখিলা উৰি উৰি আহে,
জাক পাতি পখিলা ফুলে ফুলে নাচে
ধুনীয়া পখিলাজনী ধৰিবলৈ চাওঁ
মোক দেখি উৰি যায় লগকে নেপাওঁ
ওচৰলৈ গ'লে মই উৰি গুচি যায়
এইদৰে ফুৰো মই পখিলা মেদাই ।

— শ্ৰীমান তন্ময় সোনোৱাল

# বসন্তৰ পখী

অ' বসন্তৰ পখী
অ' বসন্তৰ পখী
বসন্ত অহাৰ লগে লগে
তুমি মোৰ সখী ।
তোমাৰ মাতত যাদু আছে
সেই কথাও জানো ।
শুনিলেই তোমাৰ মাত
মতলীয়া হৈ পৰো,
উলাহেৰে গীত গাই
নাচি - বাগি ঘুৰোঁ ।

— শ্ৰীমতী মমী সোনোৱাল

# শৈশৱ কি

কাগজৰ নাও, দৰা কইনা
হাতত চিয়াঁহী কলমৰ দাগ
পেন্টৰ পকেটত মাৰ্বল, গিলগুটি
এয়াই কি শৈশৱ ?
বন্দে মাতৰম,
মই গান্ধীজীৰ দৰে হম ইত্যাদি.....
আমি যে সৰুতে খেলিছিলো....
আজি পুলিচ, কালিলৈ চোৰ,
আকৌ পৰহিলৈ......

— শ্ৰীমান উদয় সোনোৱাল

# বৰদৈচিলা

আকৌ আহিলা তুমি
মনৰ পথাৰত সপোনৰ
বীজ সিঁচিবলৈ
জীৱন বাটৰ ধূলি উৰুৱাই নিবলৈ
হৃদয়ৰ নিস্তব্ধ কোঠাটিত
উজাগৰে থকা
বেদনাৰ ক্ষণবোৰ
তুমি আহি কিয় বাৰু
জগাই তুলিলা ?
তোমাৰ আপলি বতৰা পাওঁ
অনুভৱ কৰিছিলো মনত
তোমাৰ সাক্ষাতত
কিয় জানো
পাহৰি পেলালো নিজকে ?

—— শ্ৰীমান জ্যোতিপ্ৰিয়ম সোনোৱাল

# তৰা

চিকমিক জিকমিক
হেৰা অৱ তৰা।
আকাশত বহি তুমি
কিনো বাৰু কৰা।
জোনবাইৰ লগত তুমি
একেলগে থাকা।
সন্ধিয়া হলেই তুমি
আকাশলৈ ওলায় আহাঁ
জোনবাই সৈতে তুমি
পোহৰ বিলোৱা,
ৰাতিটো উজলাই
সকলোকে মুগ্ধ কৰা।

— শ্ৰীমতী ইন্দিৰা সোনোৱাল

## কবিতা

দূৰবোৰ নামি আহে ৰাতিয়েদি
কাউৰিবোৰ উৰি গ'ল,
পখিলি আকাশলৈ
দিয়া এমন তোমাৰ ভৱিষ্যৎ
ৰাতিলৈ ।
পানীবোৰ
বৈয়ে থাকিল ওৰেটো ৰাতি ।
বিষাদৰ সেৱা ভাগি
দুচকুৰ পৰা ।
আজি আনৰ সতে
মৃত্যুৰে কথা নাপাতো
অথবা
জীয়াই তোলাৰ তীব্ৰ সম্ভাৱনাৰ
বাহিৰত
উইচিৰিঙা জিলীৰ কোৰাচৰ সমদল
এদল কুকুৰে শিয়াল এটাক খেদিছে
ঘেঁচা এটাই কাৰীৰ পিছফালে
নিও... নিও...... নিও কান্দিছে ।

— শ্ৰীমতী ধনমনী সোনোৱাল

# মাহ

মাঘৰ পিছত ফাগুন
আহে
পছোঁৱা বতাহ বলে,
চ'তৰ পিছত বহাগ
আহে
নঙ্গল চোলা লাগে।
জেঠৰ পিছত আহাৰ
আহে,
আম কঠাল পকে।
শাওনৰ পিছত ভাদ
আহে,
নাম ঘৰত জন্মাষ্টমী
পাতে।
আহিনৰ পিছত কাতি
আহে,
পথাৰত চাকি জ্বলে।
আঘোনৰ পিছত পুহ
আহে
গৰম কাপোৰ লাগে।

—— শ্ৰীমতী হিমাশ্ৰী সোনোৱাল

## মন

তোমাৰ অস্তিত্ব বিহীন জীৱন
মোৰ বাবে বৰ অশান্তিকৰ মন !
কেতিয়াও নভৱা কথা
আৰু কেতিয়াও নেদেখিবলগীয়া সময়ক
সাক্ষী কৰি
ভগৱানে তোমাক লৈ গ'ল ॥
তোমাক হেৰুৱাই
মনত অশান্তিকৰ বোজা কঢ়িয়াই
হয়তো, এনেদৰে শেষ হ'ব
মোৰ অধৰুৱা জীৱন ॥

— শ্ৰীমান ত্ৰিশ্বেৰ সোনোৱাল